**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-06-2025
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি, লোকসভাৰ অধ্যক্ষ আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে হুল দিৱস উপলক্ষে চান্থাল বিদ্ৰোহৰ নায়ক-নায়িকাসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

২। কৃষি ক্ষেত্ৰৰ উন্নয়ন অবিহনে বিকশিত ভাৰতৰ কল্পনা কৰিব নোৱাৰি বুলি কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহানে মন্তব্য কৰিছে।

৩। আন্তঃৰাষ্ট্ৰীয় সংসদীয় গণতন্ত্ৰ দিৱস উপলক্ষে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই গণতান্ত্ৰিক সংগঠনৰ নিৰ্বাচিত প্ৰতিনিধিসকললৈ অভিনন্দন জনাইছে।

৪। মিজোৰামে শান্তি আৰু সুস্থিৰতা পৰিবেশৰ মাজত বিকাশৰ পথত অগ্ৰসৰ হৈছে বুলি ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পু লালডুৱমাই প্ৰকাশ কৰিছে। ***আৰু***

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ নকআউট পৰ্যায়ৰ এখন খেলত মৰক্কোৱে নেডাৰলেণ্ডক পেনাল্টিৰ ৩-২ গলত পৰাজিত কৰে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে হুল দিৱস উপলক্ষে আজি চান্থাল জনজাতিৰ বিদ্ৰোহী আৰু শ্বহীদ নায়ক-নায়িকাসকলক শ্ৰদ্ধা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে এই নায়ক-নায়িকাসকলে জনজাতীয় সমাজক শোষণ কৰাৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ লগতে তেওঁলোকৰ পৰিচয় অক্ষুণ্ণ ৰখাৰ বাবে যুঁজ দিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে লগতে কয়, যে তেওঁলোকৰ এই ত্যাগ আৰু জাতি প্ৰেমে দেশৰ নাগৰিক সকলক উদ্বুদ্ধ কৰি আহিছে।

লোকসভাৰ অধ্যক্ষ ওম বিলৰাই হুল দিৱস উপলক্ষে চান্থাল জনজাতিৰ বীৰ নায়ক-নায়িকাসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী বিৰলাই কয়, যে এই নায়ক-নায়িকাসকলে দেশৰ স্বাধীনতা,জনজাতীয় পৰিচয় আৰু সামাজিক ন্যায়ৰ বাবে সৰ্বোচ্চ ত্যাগ কৰিছিল। জনজাতীয় নেতা সিধু আৰু কানহুৰ নেতৃত্বত ভালে সংখ্যক চান্থাল ডেকা-গাভৰুৱে ঐতিহাসিক চান্থাল হুল বিদ্ৰোহত অংশগ্ৰহণ কৰিছিল। তেওঁলোকে ব্ৰিটিছ শাসন, শোষণ আৰু অন্যায়ৰ বিৰুদ্ধে মাত মাতিছিল। শ্ৰী বিৰলাই কয়, যে চান্থাল হুল হৈছে পানী, অৰণ্য, ভূমিৰ অধিকাৰ আৰু মৰ্যাদা তথা সন্মানৰ বাবে যুঁজ দিছিল। তেওঁ কয়, যে এই আন্দোলনে ভাৰতৰ স্বাধীনতা সংগ্ৰামত বিশেষ অৰিহণা যোগাইছিল। লোকসভাৰ অধ্যক্ষগৰাকীয়ে লগতে কয়, যে তেওঁলোকৰ ত্যাগ আৰু দেশপ্ৰেমে পৰৱৰ্তী প্ৰজন্ম উদ্বুদ্ধ কৰি থাকিব।

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহেও হুল দিৱস উপলক্ষে চান্থাল বিদ্ৰোহীসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। গৃহমন্ত্ৰীগৰাকীয়ে জনজাতীয় সুকীয়া পৰিচয় অক্ষুণ্ণ ৰখা আৰু মাতৃভূমিৰ বাবে সৰ্বোচ্চ ত্যাগ কৰা চান্থাল নায়ক-নায়িকাসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী শ্বাহে কয়, যে স্বাধীনতা সংগ্ৰামী সিধু-কানহু মুৰ্মু, চান্দ-ভৈৰব আৰু সাহসী মহিলা ফুলু-জানু আদিৰ সমন্বিত বিদ্ৰোহে ব্ৰিটিছ শাসনৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰাৰ লগতে স্বাধীনতা আন্দোলনৰ উছাহ জগাই তুলিছিল।

০০০০

কৃষি ক্ষেত্ৰৰ উন্নয়ন অবিহনে বিকশিত ভাৰতৰ কল্পনা কৰিব নোৱাৰি বুলি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে মন্তব্য কৰিছে। হাৰিয়ানাৰ হিচাৰত খেত বচাও অভিযানৰ সামৰণি অনুষ্ঠানত দিয়া ভাষণত শ্ৰী চৌহানে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে চৰকাৰে কৃষকসকলক

ভূমিৰ গুণাগুণ, খেতিত প্ৰয়োগ কৰিবলগীয়া উপযুক্ত সাৰৰ পৰিমাণকে ধৰি বিভিন্ন দিশ সম্পৰ্কে অৱগত কৰিবলৈ এটা ম'বাইল এপ্লিকেচন বিকশাই তোলা প্ৰচেষ্টা অব্যাহত ৰাখিছে। তেওঁ কৃষকসকলক ভূমিৰ উৰ্বৰতা অটুট ৰাখিব পৰাকৈ নিৰ্দিষ্ট পৰিমাণতহে সাৰ আৰু কীটনাশক প্ৰয়োগ কৰিবলৈ আহ্বান জনায়। তেওঁ জৈৱিক কৃষিৰ বাবেও কৃষকসকলক উৎসাহিত কৰে।

বাইট

নিজৰ ভাষণত শ্ৰী চৌহানে কয়, যে এল নিন' প্ৰভাৱৰ বাবে বৰষুণৰ পৰিমাণ হ্ৰাস পোৱাৰ ফলত কৃষকসকলে সন্মুখীন হোৱা পৰিস্থিতিৰ মোকাবিলা কৰাৰ বাবে চৰকাৰে উপায় উদ্ভাৱনৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। তেওঁ হাৰিয়ানাৰ কৃষকসকলক ভাৰতৰ কৃষি ক্ষেত্ৰলৈ অনা বিপ্লৱৰ লগতে দেশৰ খাদ্য ভঁৰাল সমৃদ্ধ কৰি ৰখাৰ ক্ষেত্ৰত যোগোৱা বৰঙণিৰ বাবে প্ৰশংসা কৰে।

শ্ৰী চৌহানে আজি দুদিনীয়া কাৰ্যসূচীৰে উত্তৰ-পূব ভ্ৰমণ কৰিব। তেওঁ গুৱাহাটীত এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰিব। এই বৈঠকত বানে অসম আৰু ইয়াৰ কাষৰীয়া অঞ্চলৰ গ্ৰামাঞ্চল, খেতি-পথাৰ আৰু জটিল আন্তঃগাঁথনিৰ ওপৰত পেলোৱা প্ৰভাৱৰ পৰ্যালোচনা কৰি চলি থকা সাহায্য অভিযানৰ অগ্ৰগতিৰ মূল্যায়ন কৰিব। ইয়াৰ পিছত শ্ৰী চৌহানে অৰুণাচল প্ৰদেশৰ বান ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰি বানপীড়িত গাঁও, কৃষি পথাৰ, সাহায্য শিবিৰৰ অৱস্থাৰ মূল্যায়ন কৰিব। এই ভ্ৰমণৰ সময়ত মন্ত্ৰীগৰাকীয়ে ক্ষতিগ্ৰস্ত কৃষক, স্থানীয় বাসিন্দা, মহিলা গোট, আৰু যুৱক-যুৱতীসকলৰ সৈতে পোনপটীয়াকৈ মত বিনিময় কৰি এতিয়ালৈকে গ্ৰহণ কৰা সাহায্য ব্যৱস্থাৰ বুজ ল'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অৰুণাচল প্ৰদেশ চৰকাৰৰ মন্ত্ৰী, জ্যেষ্ঠ বিষয়া, আৰু অন্যান্য জনপ্ৰতিনিধিৰ সৈতেও আলোচনাত মিলিত হ'ব। এই আলোচনাত ক্ষতিগ্ৰস্ত কৃষকৰ শস্যৰ ক্ষতিৰ মূল্যায়ন, ক্ষতিপূৰণ আৰু শস্য বীমাৰ ধন, বানৰ ফলত ক্ষতিগ্ৰস্ত পথ, দলং, আৰু মথাউৰি পুনৰুদ্ধাৰৰ লগতে গ্ৰাম্য আন্তঃগাঁথনি পুনৰ নিৰ্মাণৰ কৌশলৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব।

০০০০

আন্তঃৰাষ্ট্ৰীয় সংসদীয় গণতন্ত্ৰ নাইবা সংসদীয়তাবাদ দিৱস উপলক্ষে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই বিশ্বৰ গণতান্ত্ৰিক সংগঠনৰ সকলো নিৰ্বাচিত প্ৰতিনিধিলৈ অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ বাৰ্তাযোগে শ্ৰী বিৰলাই কয়, যে জনসাধাৰণৰ অভিলাষ পূৰণ, অধিকাৰ ৰক্ষা আৰু আস্থা অৰ্জনৰ ক্ষেত্ৰত সংসদসমূহ সৰ্বোচ্চ প্ৰতিষ্ঠান হিচাপে বিবেচিত হৈ আহিছে। এই প্ৰতিষ্ঠানসমূহতে দেশৰ কল্যাণৰ বাবে বিভিন্ন ধাৰণাৰ উন্মেষ ঘটে, নীতি-নিৰ্ধাৰণ কৰা হয় আৰু দেশৰ ভৱিষ্যতৰ বাবে পৰিকল্পনা কৰা হয়। শক্তিশালী স্বতন্ত্ৰ আৰু জৱাবদিহি সংসদীয় ব্যৱস্থাই গণতন্ত্ৰৰ প্ৰকৃত শক্তি আৰু নাগৰিকৰ অধিকাৰ ৰক্ষাৰ অভিভাৱক সদৃশ বুলিও শ্ৰী বিৰলাই প্ৰকাশ কৰে। অধ্যক্ষগৰাকীয়ে কয়, যে ভাৰতীয় সংসদে বিশ্বৰ সৰ্ববৃহৎ গণতান্ত্ৰিক ব্যৱস্থাক প্ৰতিনিধিত্ব কৰাৰ লগতে সংবিধানৰ মহত্ব, গণতান্ত্ৰিক পৰম্পৰা আৰু জনপ্ৰতিনিধিত্বকো প্ৰতিফলিত কৰে। বৈচিত্ৰ্যৰে পৰিপূৰ্ণ ভাৰতবৰ্ষৰ সংসদ, ৰাষ্ট্ৰৰ একতা, সামাজিক সম্প্ৰীতি, সাংবিধানিক প্ৰমূল্য আৰু জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকৰ শক্তিশালী কণ্ঠ বুলি তেওঁ মন্তব্য কৰে। সম্প্ৰীতি সময়ত সংসদৰ ভূমিকা কেৱল নীতি-নিৰ্ধাৰণত সীমাবদ্ধ নহয়, বৰং চৰকাৰৰ দায়বদ্ধতা নিশ্চিত কৰা আৰু গণতান্ত্ৰিক প্ৰতিষ্ঠানৰ মৰ্যাদা ৰক্ষা কৰি জনসাধাৰণৰ স্বাৰ্থ সুৰক্ষিত কৰা বুলিও তেওঁ

উল্লেখ কৰে। আজি এই দিৱস উদযাপনে সংসদৰ এই দায়িত্বৰ প্ৰতি সকলো প্ৰতিনিধিৰ মনত সজাগতাৰ সৃষ্টি কৰিব বুলি তেওঁ প্ৰকাশ কৰে।

০০০০

মিজোৰামে শান্তি আৰু সুস্থিৰতাৰ পৰিৱেশৰ মাজত বিকাশৰ পথত অগ্ৰসৰ হৈছে বুলি ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পু লালডুৰমাই প্ৰকাশ কৰিছে। শান্তি চুক্তিৰ ৪০ সংখ্যক বাৰ্ষিকী উপলক্ষে দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে জনসাধাৰণক এখন শান্তিপূৰ্ণ আৰু সুস্থিৰ মিজোৰাম গঢ়াৰ বাবে প্ৰচেষ্টা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে শান্তি আৰু সুস্থিৰতা বহনক্ষম উন্নয়নৰ অন্যতম চৰ্ত। সম্প্ৰতি মিজোৰাম দেশৰ অন্যতম উন্নত ৰাজ্য কেইখনৰ এখন হিচাপে পৰিগণিত হৈছে আৰু ৰাজ্যখনলৈ পৰ্যটকৰ আগমনো বৃদ্ধি হৈছে বুলি তেওঁ কয়। ৰাজ্যপাল অৱসৰপ্ৰাপ্ত জেনেৰেল বিজয় কুমাৰ সিঙে এই দিৱস উপলক্ষে কয়, যে মিজোৰামৰ শান্তি আৰু সুস্থিৰতা কেৱল গৰ্বৰ বিষয় নহয়, বৰং দেশৰ অন্য ৰাজ্যসমূহৰ বাবে আৰ্হি স্বৰূপ।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে কংগোৰ স্বাধীনতা দিৱস উপলক্ষে দেশখনৰ বৈদেশিক মন্ত্ৰী থেৰেছে কায়িকৱাম্বা ৱাগনৰ, চৰকাৰ আৰু জনসাধাৰণৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড° জয়শংকৰে কয় যে ভাৰতে দুয়োখন দেশৰ মাজৰ সম্পৰ্ক আৰু উন্নয়নমূলক অংশীদাৰিত্ব সমাগত সময়তো আগবঢ়াই নিয়াৰ পোষকতা কৰে।

০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ নকআউট পৰ্যায়ৰ এখন খেলত আজি মৰক্কোৱে নেডাৰলেণ্ডক পেনাল্টিৰ সহায়ত ৩-২ গ'লত পৰাজিত কৰে। ইয়াৰ লগে লগে মৰক্কো ৰাউণ্ড অব্ ছিক্সটিনত প্ৰৱেশ কৰিছে। পৰৱৰ্তী সময়ত মৰক্কো কানাডাৰ সন্মুখীন হ'ব। আজিৰ খেলখন নিৰ্ধাৰিত সময়ত ১-১ গ'লেৰে অমিমাংসিত হোৱাত দুয়োটা দল অতিৰিক্ত সময়ৰ বাবে মুখামুখি হয়। অতিৰিক্ত সময়ো গলবিহিনভাৱে সমাপ্ত হয়। পেনাল্টিৰ জৰিয়তে ফলাফল নিৰ্ণয় হোৱা খেলখনত মৰক্কোৱে ৩-২ৰ ব্যৱধানত জয়লাভ কৰিবলৈ সমৰ্থ হয়৷

আজি নিশা চাৰে ১০ বজাত আইভৰি ক'ষ্ট নৰৱেৰ সন্মুখীন হ'ব। নিশা আঢ়ৈ বজাত ফ্ৰান্স ছুইডেনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

সমাপ্ত